**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 29-NOV-2025
**Time :** 0755 Hrs

***Assamese Morning Bulletin***
——————————————

অসমৰ ২০০ বছৰীয়া চাহ উদ্যোগৰ ইতিহাসত যুগান্তকাৰী পৰিৱৰ্তনৰ সূচনা কৰি কালি অসম বিধানসভাত চাহ বাগিচাৰ শ্ৰমিকক ভূমিৰ অধিকাৰ প্ৰদান সম্পৰ্কীয় এখন বিধেয়ক গৃহীত হয়। ভূমিৰ উৰ্ধসীমা নিৰ্ধাৰণ আৰু স্বত্বপ্ৰদান সংশোধনী বিধেয়ক ২০২৫ শীৰ্ষক এই বিধেয়কৰ জৰিয়তে বাগিচাৰ শ্ৰমিকসকলক ভূমিৰ অধিকাৰ প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ ফলত ৩ লাখ ৩৩ হাজাৰৰো অধিক ভূমি স্বত্বহীন চাহ বাগিচাৰ শ্ৰমিকে ভূমি অধিকাৰ লাভ কৰিব। অৱশ্যে এই বিধেয়কত জলহা চাহ বাগিচাৰ শ্ৰমিকসকলক অন্তৰ্ভুক্ত কৰা হোৱা নাই। ইয়াৰ লগতে এই সংশোধনী  বিধেয়কে অন্য কৃষি কাৰ্যত জড়িত চাহ শ্ৰমিক জনগোষ্ঠীৰ লোকসকলক অন্তৰ্ভুক্ত কৰা নাই। উল্লেখযোগ্য যে, সম্প্ৰতি চাহ বাগিচাত কৰ্মৰত শ্ৰমিকসকলে স্পষ্ট আইনী অধিকাৰ নাইবা সাংবিধানিক সুৰক্ষা অবিহনে ভূমি দখল কৰি আছে। চাহ বাগিচাৰ কৰ্মী অথবা শ্ৰমিক হ'লেহে জনগোষ্ঠীটোৰ এজন ব্যক্তিক বাগিচাৰ এটা আৱাস গৃহ আৱণ্টন কৰা হৈছিল। পৰিয়ালৰ যিকোনো এজন ব্যক্তি বাগিচাত চাকৰি কৰি থাকিলেহে তেওঁলোকেহে সেই ঘৰপ্ৰাপ্তিৰ যোগ্যতা আৰহণ কৰিছিল। ইয়াৰ ফলত প্ৰজন্মৰ পাছত প্ৰজন্ম এটা শ্ৰমিক পৰিয়ালৰ সদস্যসকলে ভূমি অধিকাৰৰ কাৰণেই বাগিচাৰ চাকৰিৰ পৰা ওলাই আহিব পৰা নাছিল বুলি মুখ্যমন্ত্ৰী ডঃ শৰ্মাই কালি সদনত উল্লেখ কৰে। এই নতুন ভূমিপট্টা ব্যৱস্থাই তেওঁলোকক স্থায়ীভাৱে ভূমি বন্দোবস্তিত সহায় কৰিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে দাবী কৰে। তেওঁ লগতে কয়, যে ইয়াৰ ফলত স্থায়ীভাৱে গৃহ নিৰ্মাণ কৰাৰ লগতে ভূমি সম্পৰ্কত তেওঁলোকৰ অসুৰক্ষিত মনোভাব হ্ৰাস পাব।

মুখ্যমন্ত্ৰীয়ে কয়, যে ভূমিৰ পট্টা লাভ কৰাৰ পাছত এজন শ্ৰমিকে চাহ বাগিচাৰ ভূমি ২০ বছৰ পৰ্যন্ত বিক্ৰী কৰিব নোৱাৰিব। ২০ বছৰৰ পাছত ভূমি বিক্ৰী কৰিলেও সেয়া বাগিচাৰ আন শ্ৰমিককহে বিক্ৰী কৰিব পাৰিব বুলিও মুখ্যমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে।

০০০০০০

অসম বিজ্ঞান সমিতি ডিব্ৰুগড় শাখাৰ উদ্যোগত আৰু ডিব্ৰু মহাবিদ্যালয় তথা ড০ নিলোফাৰ ৰহমান শইকীয়াৰ পৰিয়ালৰ সহযোগত ডিব্ৰু মহাবিদ্যালয়ত কালি **নিলোফাৰ ৰহমান শইকীয়া স্মাৰক বক্তৃতানুষ্ঠান** অনুষ্ঠিত হয়। ফলক বিৱৰ্তন ঃ অভিশাপ নে আশীৰ্বাদ শীৰ্ষক বিষয়ত ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ প্ৰায়োগিক ভূতত্ব বিভাগৰ অৱসৰপ্ৰাপ্ত প্ৰাধ্যাপক তথা উত্তৰ-পূৰ্বাঞ্চলৰ বিশিষ্ট ভূতত্ববিদ ড০ দীলিপ মজুমদাৰে বক্তৃতা দিয়ে। ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ উপাচাৰ্য ড০ জিতেন হাজৰিকাই এই অনুষ্ঠানৰ উদ্বোধন কৰে। এই বক্তৃতানুষ্ঠানত ভালেসংখ্যক লোক উপস্থিত থাকে বুলি আমাৰ ডিব্ৰুগড়ৰ সংবাদদাতাই জনাইছে।

০০০০০০

সমাগত ৰাজ্য বিধান সভা নিৰ্বাচনৰ প্ৰতি লক্ষ্য ৰাখি আকাশবাণীৰ সঞ্চালক প্ৰধানৰ নিৰ্দেশ মৰ্মে অহা পহিলা ডিচেম্বৰৰ পৰা আকাশবাণী গুৱাহাটী যোগে প্ৰচাৰিত বাতৰি আৰু বাতৰি বিভাগৰ কেতবোৰ অনুষ্ঠানৰ সময়ৰ কিছু সালসলনি কৰা হৈছে। এই অনুসৰি দিনৰ ১১ বজাত প্ৰচাৰিত মুখ্য বাতৰি এক ডিচেম্বৰৰ পৰা পাঁচ মিনিটৰ বাতৰি বুলেটিন হিচাপে প্ৰচাৰ কৰা হ'ব। দিনৰ ১২ বাজি পাঁচ মিনিটত প্ৰচাৰ কৰা বাতৰিৰ সময় ১০ মিনিটলৈ বৃদ্ধি কৰা

হ'ব। একেদৰে তিনি বজাৰ মুখ্য বাতৰিৰ পৰিৱৰ্তে পাঁচ মিনিটৰ বুলেটিন প্ৰচাৰ কৰা হ'ব। বিয়লি পাঁচ বাজি ১৫ মিনিটৰ আৰু সন্ধিয়া ছয় বজাৰ বাতৰি এতিয়া পাঁচ মিনিটৰ পৰিৱৰ্তে ১০ মিনিটৰ বাবে প্ৰচাৰ কৰা হ'ব। প্ৰতি মঙলবাৰে এক বাজি ২০ মিনিটত প্ৰচাৰ কৰা প্ৰাসংগিকৰ উপৰি প্ৰতিদিনে বিয়লি তিনি বাজি পাঁচ মিনিটৰ পৰা তিনি বাজিৰ ১৫ মিনিটলৈ প্ৰাসংগিক প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটো প্ৰতিনিশা ৯ বাজি ১৫ মিনিটৰ পৰা ৯ বাজি ২৫ মিনিটলৈ পুনৰ প্ৰচাৰ কৰা হ'ব। ইপিনে প্ৰতি সোমবাৰে প্ৰচাৰিত ক্ৰীড়া বাৰ্তাৰ সময়ত পাঁচ মিনিট হ্ৰাস কৰা হৈছে। এই অনুসৰি অহা সোমবাৰৰ পৰা সন্ধিয়া ৬ বাজি ৪০ মিনিটৰ পৰা ৬ বাজি ৪৫ মিনিটলৈ ক্ৰীড়া বাৰ্তা প্ৰচাৰ কৰা হ'ব।

০০০০০০

শিৱসাগৰ শৰীৰ চৰ্চা সন্থাই কালি জিলাখনৰ ফুকন নগৰত সদ্য প্ৰয়াত শৰীৰ চৰ্চাবিদ তথা সাতবাৰকৈ মিষ্টাৰ ইণ্ডিয়া খিতাপ অৰ্জন কৰা হৰকান্ত বৰগোঁহাইৰ স্মৃতিত শ্ৰদ্ধাঞ্জলি অনুষ্ঠানৰ আয়োজন কৰে। এই অনুষ্ঠানত প্ৰাক্তন মিষ্টাৰ ইণ্ডিয়া বিজিত গগৈ, পুৰুযোত্তম কলিতাসহ ভালেসংখ্যক লোকে বন্তি প্ৰজ্বলন আৰু প্ৰয়াত খেলুৱৈগৰাকীৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰি শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। উল্লেখযোগ্য যে অসমৰ শৰীৰ চৰ্চা ক্ষেত্ৰখনক আগুৱাই নিয়া, তৰুণ প্ৰজন্মক এই ক্ষেত্ৰখনৰ প্ৰতি আগ্ৰহী কৰি তোলাত বিশেষ উৎসাহ যোগোৱা হৰকান্ত বৰগোহাঁইৰ যোৱা বৃহস্পতিবাৰে দেহাৱসান ঘটে। শিৱসাগৰ মেচাগৰৰ সন্তান হৰকান্ত বৰগোঁহাইৰ অৱদানক এই অনুষ্ঠানত শ্ৰদ্ধাৰে সোঁৱৰণ কৰা হয়।

০০০০০০

সমাপ্ত